**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 14-06-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin
## Headlines

১। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অন্তৰ্গত চিটী হাস্পতালৰ আধাৰশিলা স্থাপন।
২। বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ বাবে কেইবাগৰাকীও খ্যাতিমান ব্যক্তিৰ নাম ঘোষণা।
৩। ধুবুৰীত গো-মাংসকেন্দ্ৰিক ঘটনা সংক্ৰান্তত যোৱা নিশা সমগ্ৰ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা আৰক্ষীৰ ৩৮জন লোকক গ্ৰেপ্তাৰ।
৪। ৰাজ্যৰ বিভিন্ন জিলাত আজি লোক আদালতৰ জৰিয়তে বিচাৰাধীন ভালেসংখ্যক গোচৰ নিষ্পত্তি।
*আৰু*
৫। লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাৰ বিগত ২৭ বছৰত প্ৰথমটো আই চি চি খিতাপ অৰ্জন।

০০০০০০০

ডিব্ৰুগড়ত দুদিনীয়া ভ্ৰমণসূচীৰে উপস্থিত হোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কিছুসময় পূৰ্বে ডিব্ৰুগড়ৰ জেইল ৰোডত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অন্তৰ্গত চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে ডিব্ৰুগড়ৰ ফুল বাগানৰ পুৰণি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, চিকিৎসা, শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাইও অংশ লৈছে। নতুনকৈ নিৰ্মাণ হ'বলগীয়া ছটা মহলাযুক্ত এই হাস্পতাল ভৱনত মাল্টি স্পেছিয়েলিটি আৰু অন্যান্য অত্যাধুনিক সুবিধাসমূহ উপলব্ধ হ'ব।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীয়ে ধেমাজীৰ চিচিবৰ গাওঁ বিধানসভা সমষ্টিৰ উন্নয়ন সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। এই বৈঠকত বান নিয়ন্ত্ৰণ, পথ যোগাযোগ, আৰু পানী যোগান ব্যৱস্থাৰ উন্নয়নৰ উপৰি সাংস্কৃতিক আৰু ক্ৰীড়া আন্তঃগাথনি উন্নয়ন, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত গৃহ নিৰ্মাণকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে তেওঁৰ দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ সময়ত ডিব্ৰুগড়ৰ সচিবালয়ত মাজুলী, মাহমৰাকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব। ডঃ শৰ্মাই কাইলৈ দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব।

০০০০০০০

ৰাজ্য চৰকাৰে এইবছৰৰ বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। অহা ২০ জুনত নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি বিষ্ণুৰাভা দিৱসৰ দিনা প্ৰদান কৰিবলগীয়া ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ডঃ থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয় নৃত্য শিল্পী তথা গৱেষক ডঃ মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয় সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম

শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবৰঢ়োৱা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰি বঁটা প্ৰাপক আটাইকেইগৰাকী কৃতিমান ব্যক্তিক অভিনন্দন জ্ঞাপন কৰে।

০০০০০০০

ধুবুৰীত গো-মাংসকেন্দ্ৰিক ঘটনাৰ বাবে আৰক্ষীয়ে যোৱা নিশা সমগ্ৰ জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ৩৮জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰীয়ে ধুবুৰীৰ ঘটনা নিয়ন্ত্ৰণৰ বাবে কালি আৰক্ষীক কঠোৰ হ'বলৈ আহ্বান জনাই জিলাখনৰ সকলো দাগী অপৰাধীকো গ্ৰেপ্তাৰ কৰাৰ বাবে নিৰ্দেশ দিছিল। জিলাখনত যোৱা কেইবামাহ মান ধৰি পশ্চিম বংগৰ পৰা দৈনিক গোপন পথেৰে নিষিদ্ধ গো-মাংস কঢ়িয়াই অনাৰ তথ্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এনে গো-মাংস সৰবৰাহকাৰীৰ বিৰুদ্ধে অনুসন্ধান কৰি গ্ৰেপ্তাৰ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিছিল। উল্লেখযোগ্য যে ধুবুৰীৰ আৰক্ষী অধীক্ষক হিচাপে কালি লীনা দলেক দায়িত্ব প্ৰদান কৰা হৈছিল। দায়িত্ব গ্ৰহণ কৰিয়েই আৰক্ষী অধীক্ষকগৰাকীয়ে জিলাখনৰ ভিন্ন প্ৰান্তত অভিযান চলায়। আনহাতে, কালি নিশা ধুবুৰী চহৰত আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ধুবুৰী চহৰৰ বিভিন্ন অঞ্চলত অভিযান চলায়।

০০০০০০০

আহমেদাবাদত পৰহি সংঘটিত এয়াৰ ইণ্ডিয়াৰ বিমানৰ শোকাবহ দুৰ্ঘটনাৰ তদন্তৰ বাবে কেন্দ্ৰীয় গৃহ সচিবৰ নেতৃত্বত এখন উচ্চ স্তৰীয় সমিতি গঠন কৰা হৈছে আৰু সমিতিখনে তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নাইডুৱে আজি এখন সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ব্লেকবক্স ইতিমধ্যে উদ্ধাৰ কৰা হৈছে আৰু ইয়াৰ পৰাই দুৰ্ঘটনাৰ কাৰণ সম্পৰ্কে সকলো তথ্য পোৱা যাব। তেওঁ কয়, যে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে ৩৪ খন বোয়িং 787 বিমান নিৰীক্ষণৰ নিৰ্দেশ দিছে আৰু ইয়াৰে ৮ খন তাৎক্ষনিকভাৱে নিৰীক্ষণ  কৰা হৈছে। এই দুৰ্ঘটনাৰ তথ্য পোৱাৰ লগে লগে অৱগত কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি লোক আদালতৰ জৰিয়তে বিচাৰাধীন ভালেসংখ্যক গোচৰ নিষ্পত্তি কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত অনুষ্ঠিত দ্বিতীয় ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে জিলাখনৰ অমীমাংসিত ৬৬৫ টা গোচৰৰ ভিতৰত ২০১ টা গোচৰ নিষ্পত্তি কৰা হৈছে। ইয়াৰে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু বেংক ঋণৰ ১৩৪ টা গোচৰ মীমাংসা কৰা হয়। জিলাখনত লোক আদালতৰ জৰিয়তে ২৯ লাখ ২৯ হাজাৰ ৬৯১ কোটি টকা সংগ্ৰহ কৰা হৈছে বুলি জিলা আৰু চেছন ন্যায়াধীশ সঞ্জয় হাজৰিকাই প্ৰকাশ কৰিছে।

**বাইট ঃ সঞ্জয় হাজৰিকা**

কামৰূপ মহানগৰ জিলাত আজি অনুষ্ঠিত লোক আদালতত ১৩ হাজাৰ ১২৮ টা গোচৰ নিষ্পত্তিৰ বাবে লোৱা হয় আৰু ইয়াৰে ৩ হাজাৰ ২৪৪ টা গোচৰ নিষ্পত্তি হয়। ইয়াৰ বাবদ ৪৭ কোটি ৫০ লাখ টকা আদায় কৰা হয়। হোজাই জিলাতো আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। জিলাখনত ভালেসংখ্যক গোচৰ নিষ্পত্তিৰ দিহা কৰা হয়। শিৱসাগৰ জিলাত আজি এহেজাৰ ৫০০ টা গোচৰ ৮ খন আদালতত নিষ্পত্তিৰ দিহা কৰা হৈছিল।

বিশ্বনাথ জিলাতো আজি জিলা আইন সেৱা প্ৰাধীকাৰীৰ উদ্যোগত জিলাখনৰ ন্যায়িক আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই আদালতত আপোচযোগ্য, বিভিন্ন ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা দাবী গোচৰ, চেক বাউঞ্চকে ধৰি মুঠ এহেজাৰ ৫৩৮ টা গোচৰ নিষ্পত্তি কৰা হয়। ইয়াৰ ভিতৰত বেংক ঋণ আদায়ৰ সৰ্বাধিক ৭৮১ টা গোচৰ আৰু বিদ্যুৎ মাছুল সম্পৰ্কীয় ৬৯৫ টা গোচৰ আছে। মাজুলি জিলাত ৭০০ টা গোচৰ ধাৰ্য কৰা হৈছিল আৰু ইয়াৰে ৩০০ টা গোচৰ নিষ্পত্তি কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই আজি চাবুৱাৰ বালিজানৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰে। বালিজান নৰ্থ চাহ বাগিছা আৰু বগৰীতলীয়াৰ ব্ৰহ্মপুত্ৰ নদীকাষৰীয়া প্ৰা ডেৰ কিলোমিটাৰ এলেকা অতি বিপজ্জনক আৰু আন ৩ কিলোমিটাৰ অঞ্চল বিপজ্জনক হিচাপে চিনাক্ত কৰা হৈছে। কেন্দ্ৰীয়। মন্ত্ৰী সোণোৱাল আৰু ৰাজ্যৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই অঞ্চলটো পৰিদৰ্শন কৰি তৎকালীনভাৱে খহনীয়া প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট বিভাগক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। অঞ্চলটোৰ বহু লোকে মন্ত্ৰী দুগৰাকীক শীঘ্ৰে খহনীয়া ৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ প্ৰথমটো বানত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰাৰ লগতে বহু সা-সম্পত্তি ধ্বংস হৈছে। পৰৱৰ্তী সময়ত বালিজান, বিন্ধাকতা, বগৰীতলিয়া আদি অঞ্চলত খহনীয়াই তীব্ৰ ৰূপধাৰণ কৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে।

০০০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছৰ নিৰ্গমন আজিও অব্যাহত আছে। ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন এতিয়ালৈ নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে বুলি নিগমে প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০ টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰিছে। অস্থায়ীভাৱে ভাটিবনগাওঁ এলেকাত স্থাপন কৰা শিবিৰত এই লোকসকলক থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছে। ইপিনে, এই গেছ নিৰ্গমনৰ পাছত হৃদক্ৰিয়া বন্ধ হৈ ভটিয়াপাৰৰ নৰেন গগৈ নামৰ এজন লোকৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ লোকে অভিযোগ তুলিছে। সংকটজনক অৱস্থাত লোকজনক শিৱসাগৰৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও লোকজনৰ চিকিৎসা গ্ৰহণৰ পূৰ্বে মৃত্যু হয়।

০০০০০০০

ৰাজ্যৰ কেইবাখনো চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত আজি বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়। এইবাৰৰ ৰক্তদাতা দিৱসৰ বাণী হ'ল **তেজ দিয়ক, আশা দিয়ক, সকলোৱে মিলি জীৱন ৰক্ষা কৰক**। বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত পালন কৰা বিশ্ব ৰক্তদাতা দিৱসত কুৰিগৰাকী লোকে স্বেচ্ছামূলকভাৱে ৰক্তদান কৰে। ৰক্তদান কৰাসকলৰ ভিতৰত সৰ্বাধিক ৩১ বাৰ ৰক্তদান কৰা দাতাও আছিল। ৰক্তদাতা দিৱস সন্দৰ্ভত চিকিৎসা মহাবিদ্যালয় আৰু মহাবিদ্যালয়খনৰ সহযোগী অধ্যাপক ডাঃ বিভূতি ভূঞাই সকলো সুস্থ লোককে ৰক্তদান কৰিবলৈ আহ্বান জনায়। চিকিৎসকগৰাকীয়ে লগতে ৰক্তদান কৰিলে দেহৰ ক্ষতি হ'ব বুলি বহুতৰে ভ্ৰান্ত ধাৰণা থকা বুলি প্ৰকাশ কৰে।

বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে তামুলপুৰ মহকুমা অসামৰিক চিকিৎসালয়তো ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। অসম ৰাজ্যিক ৰক্ত পৰিবহন পৰিষদৰ অধীনত ডি আৰ বি জিলা অসামৰিক চিকিৎসালয়, মুছলপুৰৰ ৰক্তকেন্দ্ৰৰ উদ্যোগত তামুলপুৰ জিলা প্ৰশাসন, ভাৰতীয় সেনাৰ ১০৭ এ টি এন ব্ৰিগেড আৰু জিলা স্বাস্থ্য সমাজ তামুলপুৰৰ সহযোগত অনুষ্ঠিত কৰা হয়। ৰক্তদান শিবিৰত চৰকাৰী বিষয়া, সেনাবাহিনীৰ কৰ্মচাৰীৰ লগতে স্থানীয় লোকে উৎসাহেৰে অংশগ্ৰহণ কৰে।

বিশ্বনাথ জিলাৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ ৰক্তকেন্দ্ৰৰ উদ্যোগতো বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়। চিকিৎসালয়খনত ৰক্তদানৰ জনসচেতনতামূলক শোভাযাত্ৰাৰ লগতে এখন জনসভা অনুষ্ঠিত হয়। সভাখনত কনকলতা অসামৰিক চিকিৎসালয়ৰ ৰক্তকেন্দ্ৰৰ ৭গৰাকী পুৰুষ স্বেচ্ছাসেৱী ৰক্তদাতা আৰু দুগৰাকী মহিলা স্বেচ্ছাসেৱী ৰক্তদাতাক অভিনন্দন জনোৱা হয়।

বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে ধেমাজি অসামৰিক চিকিৎসালয় আৰু ধেমাজি ৰক্তকেন্দ্ৰৰ উদ্যোগত আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধেমাজি জিলা সেৱা বাহিনীৰ সহযোগত অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰত ১৫জনৰো অধিক ৰক্তদাতাই স্বেচ্ছাই ৰক্তদান কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ্বলগীয়া দৃষ্টিপাত অনুষ্ঠানত আজি শুনিবলৈ পাব অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ পাছত এই বিষয়ৰ প্ৰথমখন গৱেষণা পত্ৰৰ প্ৰকাশৰ তত্বাৱধায়ক অধ্যাপক, বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপক ড° সংগীতা শইকীয়া আৰু গৱেষিকা ফেন্সী চুতিয়াৰ সৈতে কথোপকথন।

কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত তৈল প্ৰতিষ্ঠানৰ পৰা গেছ নিৰ্গমনজনিত দুৰ্ঘটনা সন্দৰ্ভত তথ্য চিত্ৰ নিৰ্মাতা জয়চেং জয়দহোতিয়া আৰু আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ প্ৰতিবেদনৰ আধাৰত যুগুতোৱা অনুষ্ঠান শুনিবলৈ পাব। এই দুয়োটা অনুষ্ঠানত প্ৰযোজনা, পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

একাদশ আন্তৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে বজালী জিলা প্ৰশাসনৰ উদ্যোগত আজি পাঠশালাৰ আজাদ ভৱনত এখন জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা উদ্বোধন কৰি জিলাখনৰ সহকাৰী আয়ুক্ত আছফাক লস্কৰে কয় যে সুস্থ আৰু সুষম জীৱনশৈলী বৰ্তাই ৰখাৰ ক্ষেত্ৰত যোগাভ্যাসৰ গুৰুত্ব অপৰিসীম। আয়ুষৰ জিলা সমন্বয়ক ডাঃ জয়ন্ত খাটনিয়াৰ আৰু জিলা প্ৰশাসনৰ পৰা টুটুল মানৰৰ নেতৃত্বত অনুষ্ঠিত এই প্ৰতিযোগিতাত কেইবাগৰাকীও প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অহা ২১ জুনত বজালী জিলা আয়ুক্ত কাৰ্যালয় চৌহদত হ'বলগীয়া যোগ দিৱসৰ অনুষ্ঠানত প্ৰতিটো শাখাৰ বিজয়ীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

০০০০০০০

সদৌ অসম আৰক্ষী সন্থাৰ দ্বিবাৰ্ষিক অধিবেশন আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁওত অনুষ্ঠিত হৈছে। এই উপলক্ষে জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত নৱ প্ৰজন্মৰ উশৃংখলতা, অভিভাৱকৰ দায়িত্ব আৰু আৰক্ষীৰ ভূমিকা শীৰ্ষক বিষয়ত আলোচনা কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মা, অসম আৰক্ষীৰ প্ৰশাসনিক শাখাৰ সহকাৰী মহাপৰিদৰ্শক প্ৰণৱজ্যোতি গোস্বামীৰ উপৰি ভালেসংখ্যক আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০০

লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাই বিগত ২৭ বছৰত প্ৰথমটো আই চি চি খিতাপ অৰ্জন কৰিছে। আফ্ৰিকাই ২৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এইডেন মাৰ্কৰামৰ দৰ্শনীয় শতক আৰু আঘাতৰ সমস্যাত জৰ্জৰিত অধিনায়ক টেম্বা বাভুমাৰ অৰ্ধ শতকৰ সহায়ত আজি খেলৰ চতুৰ্থ দিনা ৪ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ হৈ কাগিছো ৰাবাডাই খেলখনত ৯ টা উই'কেট দখল কৰে।

০০০০০০০

দক্ষিণ এছিয় শৰীৰ চৰ্চা প্ৰতিযোগিতাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ ৰিংকু দাসে ৰূপৰ পদক অৰ্জন কৰিছে। ভূটানৰ থিম্পুত অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ খেলুৱৈগৰাকীয়ে দেশক প্ৰতিনিধিত্ব কৰি গৌৰৱ কঢ়িয়াই আনে।

০০০০০০০

**সমাপ্ত**